# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-01-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

**Headlines (04-01-2025) 0900 Hrs.**

১। গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ দিয়া নিৰ্দেশ পুনৰ বিবেচনা কৰিবলৈ অসম চৰকাৰৰ আবেদন।

২। গোৱালপাৰা জিলাৰ দুধনৈত ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ কেইবাটাও কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৩। এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন নকৰা লোকসকলে আধাৰ কাৰ্ড লাভ কৰিব নোৱাৰিব বুলি ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪। ১০ ফেব্ৰুৱাৰীৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন আৰু মাৰ্চৰ ভিতৰত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

*আৰু*

৫। ছিডনী টেষ্ট ক্ৰিকেটৰ দ্বিতীয় দিনা আজি অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছ এতিয়ালৈকে ৯ টা উইকেটৰ বিনিময়ত ১৭৩  ৰান সংগ্ৰহ।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধীসূচনা ৯ জানুৱাৰীলৈকে জাৰি নকৰিবলৈ ৰাজ্য চৰকাৰক দিয়া নিৰ্দেশ পুনৰ বিবেচনা কৰিবলৈ অসম চৰকাৰে আবেদন জনাইছে। কালি এই স্থগিতাদেশৰ সংশোধনী বিচাৰি ৰাজ্য চৰকাৰে দাখিল কৰা হস্তক্ষেপ ধৰ্মী আবেদনৰ শুনানি ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে গ্ৰহণ কৰে আৰু এই সম্পৰ্কত ৬ জানুৱাৰীৰ ভিতৰত শপতনামা দিবলৈ গোচৰীয় পক্ষক নিৰ্দেশ দিয়ে। অসম চৰকাৰে দাখিল কৰা এই হস্তক্ষেপধৰ্মী আবেদনখনত যিবোৰ পঞ্চায়তক লৈ আসোৱাহৰ অভিযোগ উঠিছে অথবা গোচৰ ৰুজু হৈছে সেই পঞ্চায়ত এলেকাসমূহক বাদ দি বাকী অঞ্চলসমূহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিবলৈ ন্যায়ালয়ত আবেদন জনাইছে। উল্লেখযোগ্য যে, পঞ্চায়তৰ সমষ্টি পুনৰ নিৰ্ধাৰণত বিভিন্ন আসোৱাহৰ অভিযোগ তুলি একাংশ প্ৰাৰ্থীয়ে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। উল্লেখযোগ্য যে এই আবেদনৰ ভিত্তিত যোৱা ১৭ ডিচেম্বৰত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে ৯ জানুৱাৰী পৰ্যন্ত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোৱালপাৰা জিলাৰ দুধনৈত কালি ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ড° শৰ্মাই উদয়পুৰত সচিবালয় ভৱন উদ্বোধন কৰে। ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰশাসনিক প্ৰয়োজনীয়তা আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাভা জনগোষ্ঠীৰ বৰ্ণাঢ্য সংস্কৃতিক প্ৰতিফলিত কৰা এটা সংগ্ৰহালয়ো উদ্বোধন কৰে। ১ কোটি ৮০ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা এই সংগ্ৰহালয়ত ৰাভাসকলৰ শিল্প- কলা, পৰম্পৰাগত সাজ-পাৰ আদি সংৰক্ষণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে ৰাভা ৰজা বীৰ পৰশুৰামৰ সাহসিকতা আৰু দেশপ্ৰেমক সন্মান জনাই এটা ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। ইয়াৰ জৰিয়তে বীৰ পৰশুৰামৰ আদৰ্শৰে নতুন প্ৰজন্ম অনুপ্ৰাণিত হ'ব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে উদয়পুৰত ৫০ খন বিছনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই দুধনৈত আয়োজিত ৰাজহুৱা সভাত ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ উন্নয়নৰ হকে গ্ৰহণ কৰা ভালেমান পদক্ষেপৰ বিষয়ে ঘোষণা কৰে। ৰাজ্য চৰকাৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদক সাংবিধানিক বৈধতা প্ৰদানৰ বাবে কেন্দ্ৰলৈ প্ৰস্তাৱ দাখিল কৰি ত্ৰিপাক্ষিক চুক্তিৰ পোষকতা কৰাৰ কথা উল্লেখ কৰি ড° শৰ্মাই ৰাভা-হাছং জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু শৈক্ষিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। জনগোষ্ঠীটোৰ সৰ্বাংগীন বিকাশৰ বাবে ৰাজ্য চৰকাৰ আৰু পৰিষদৰ মাজত সহযোগিতামূলক আলোচনাৰ বিষয়টো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

-বাইট-

অনুষ্ঠানত জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাও উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰে আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত কেতবোৰ নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি আবেদনকাৰীসকলে পূৰ্বৰ তুলনাত অধিক কঠোৰ নিয়মাৱলী অনুসৰণ কৰিব লাগিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গোৱালপাৰাত এই কথা প্ৰকাশ কৰে। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সচিবালয়ৰ উদ্বোধন উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয়, যে ২০১৪ চনত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন নকৰা লোকসকলে আধাৰ কাৰ্ড লাভ কৰিব নোৱাৰিব। ৰাজ্য চৰকাৰে আজি এই সন্দৰ্ভত জাননী জাৰি কৰিব বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

আধাৰ কাৰ্ডৰ ক্ষেত্ৰত জালিয়াতি ৰোধ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰী শৰ্মাই লগতে বৰপেটা জিলাত ১১০ শতাংশ লোকে আধাৰ কাৰ্ড লাভ কৰা বুলি তথ্য দাঙি ধৰে। বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশৰ চেষ্টা কৰি থকা বহু লোকক আৰক্ষীয়ে প্ৰায় প্ৰতিদিনে আটক কৰি আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এনেদৰে অনুপ্ৰৱেশ কৰা লোকসকলেই পৰৱৰ্তী সময়ত জালিয়াতিৰে আধাৰ কাৰ্ড সংগ্ৰহ কৰে। এনে চক্ৰান্তক প্ৰতিহত কৰাৰ বাবে আধাৰ কাৰ্ডৰ আবেদনৰ সৈতে ২০১৪ চনত এন আৰ চি ত আবেদন কৰাৰ প্ৰমাণ পত্ৰ গাঠি দিব লাগিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যত অহা ১০ ফেব্ৰুৱাৰীৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি আশা প্ৰকাশ কৰে। গোৱালপাৰা জিলাৰ দুধনৈ ভ্ৰমণ কাৰ্যসূচীৰ মাজতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। লগতে অহা মাৰ্চ মাহৰ ভিতৰত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনো অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ মিত্ৰদল অগপৰ সৈতে স্থানীয় পৰ্যায়ত মিত্ৰতা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ooooo

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত স্থাপন কৰা ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰৰ পৰা অনুষ্ঠান প্ৰচাৰ আৰম্ভ হৈছে। এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই ট্ৰান্সমিটাৰৰ পৰা প্ৰচাৰিত উন্নত মানৰ অনুষ্ঠান কোকৰাঝাৰৰ লগতে ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে শুনিবলৈ সমৰ্থ হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ এফ এম ট্ৰান্সমিটাৰ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে।

ooooo

ৰাজ্য চৰকাৰে বিদ্যালয় শিক্ষা বিভাগৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ ঠিকাভিত্তিক অতিৰিক্ত সেৱা আগবঢ়োৱাৰ সময়ত দেহাৱসান ঘটা ২৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উপলক্ষে আজি গুৱাহাটীৰ কাহিলীপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সভাকক্ষত আয়োজিত কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীতে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ অধীনত ১৩ গৰাকী প্ৰাৰ্থীক ডায়েটৰ প্ৰবক্তা হিচাপে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

ooooo

অসমত সুস্থ শৈক্ষিক পৰিবেশ স্থাপনৰ উদ্দেশ্যে আটাইকেইখন বিশ্ববিদ্যালয়তে এখনেই শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰাৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম শাখাই প্ৰস্তাৱ দিছে। এই উদ্দেশ্যে কালি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসমৰ এটা প্ৰতিনিধি দলে ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক সাক্ষাৎ কৰে। অসমৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ তথা ইয়াৰ অন্তৰ্ভুক্ত মহাবিদ্যালয়সমূহৰ পৃথক শৈক্ষিক দিনপঞ্জী হোৱাৰ বাবে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকল বহু সময়ত ভাৰতৰ আন ৰাজ্য তথা বিদেশৰ বহু বিশ্ববিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। অসমৰ সকলো মহাবিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয় আদিত এখনেই শৈক্ষিক দিনপঞ্জী প্ৰযোজ্য হ'লে শৈক্ষিক ভ্ৰমণৰ বাবেও সুবিধা হ'ব বুলি সংগঠনটোৰ প্ৰতিনিধিয়ে মত প্ৰকাশ কৰে। তেওঁলোকে ৰাজ্যপালৰ নেতৃত্বত শিক্ষামন্ত্ৰী, শিক্ষা আয়ুক্ত আৰু বিশিষ্ট শিক্ষাবিদসকলৰ লগতে বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰি এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিবলৈ আহ্বান জনায়।

ooooo

# NEWS PAPER REV.

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তিনিখন যাত্ৰীবাহী ৰেলৰ যাত্ৰা কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চীনত পুনৰ মাৰাত্মক ভাইৰাছৰ ত্ৰাস। এইচ এম পি ভি নামৰ শ্বাস প্ৰশ্বাসজনিত ৰোগৰ ভাইৰাছে দেশখনত আকৌ আতংকৰ সৃষ্টি কৰিছে। এয়া আমাৰ অসম কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি। একেটা বাতৰিকে দ্যা ছেণ্টিনেল কাকতেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দিল্লী বিধানসভাৰ সমাগত নিৰ্বাচনৰ বাবে দলীয় প্ৰচাৰ আৰম্ভ হৈছে। বাতৰিটো দিল্লীৰ বিশাল জনসভাত আপক উতখাতৰ আহ্বান মোদীৰ শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে খাৰঘূলিৰ জলবিষ্ফোৰণত ক্ষতিগ্ৰস্তই প্ৰচণ্ড শীতত শিবিৰত উজাগৰী নিশা পাৰ কৰিবলগীয়া হোৱাৰ বাতৰিটোক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

প্ৰবীণ অভিনেত্ৰী, আকাশবাণীৰ মণিপুৰী ভাষাৰ ঘোষিকা তথা শিক্ষয়িত্ৰী উষাৰাণী দেৱীৰ পৰহি দেহাৱসান ঘটে। এই বাতৰিটো আলোকচিত্ৰসহ অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

পুহমহীয়া জাৰত কঁপিছে সমগ্ৰ ৰাজ্য, এসপ্তাহলৈ থাকিব ডাঠ কুঁৱলী দৃশ্যমানতা হ্ৰাসত বৃদ্ধি দুৰ্ঘটনা শিৰোনামৰে এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ইউডাইছৰ প্ৰতিবেদন অনুসৰি দেশৰ চৰকাৰী বিদ্যালয়ত নামভৰ্তিৰ সংখ্যা হ্ৰাস পোৱাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

দি আছাম ট্ৰিবিউন কাকতে আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰতৰাজ্য চৰকাৰে কেতবোৰ নতুন নিয়মাৱলী গ্ৰহণ কৰাৰ বাতৰিটো প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

ooooo

বৃহস্পতিবাৰে নিশা দেহাৱসান ঘটা বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ পৰাণ বৰবৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়া কালি দুপৰীয়া গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ১৯৩৯ চনত যোৰহাটত জন্মগ্ৰহণ কৰা বৰবৰুৱাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ।  এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ হোৱাৰ লগতে ক্ৰিকেট খেলুৱৈ হিচাপে তেওঁ ১৯৯৮ চনত অসমৰ ৰঞ্জী দলক প্ৰতিনিধিত্ব কৰিছিল। পাছলৈ তেওঁ চলচ্চিত্ৰ আৰু দূৰদৰ্শনৰ ধাৰাবাহিক নিৰ্মাতাৰূপে কেইবাখনো ছবি আৰু ধাৰাবাহিক প্ৰযোজনা কৰিছিল। তেওঁৰ প্ৰযোজিত ছবিসমূহৰ ভিতৰত সূৰুয, শ্ৰীমন্ত শংকৰদেৱ ইত্যাদি অন্যতম। ১৯৯৩ চনত বৰবৰুৱাই প্ৰযোজনা কৰা 'ছাউথ অব্ দা ডায়িং কালাৰ্ছ' নামৰ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ ৰাষ্ট্ৰীয়  বঁটা লাভ কৰিছিল। গুৱাহাটী দূৰদৰ্শনৰ হৈ তেওঁ প্ৰযোজনা কৰা বৃকোদৰ বৰুৱাৰ বিয়া, মেজৰ চাহেব আদি কেইবাখনো ধাৰাবাহিকে প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী-বিশিষ্ট গীতিকাৰ, কবি তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষিকা বিবিদেৱী বৰবৰুৱা, জীয়ৰী চলচ্চিত্ৰ প্ৰযোজক-পৰিচালক প্ৰেৰণা বৰবৰুৱা আৰু একমাত্ৰ পুত্ৰক এৰি থৈ যায়।

ooooo

বতৰৰ বতৰা–

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, আৰু মণিপুৰৰ বতৰ ঘাইকৈ ফৰকাল হৈ থাকিব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি আজি আৰু কাইলৈ অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰিব। আজি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২২ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ ডিগ্ৰী ছেলছিয়াছ।

ooooo

ৰাজ্য চৰকাৰে প্ৰতিবছৰে ১৩ মে'ত অন্ধ বিশ্বাস বিৰোধী দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডাইনী হত্যাৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে যুঁজ দিয়া পদ্মশ্ৰী সন্মানেৰে বিভূষিত বীৰুবালা ৰাভাৰ মৃত্যুৰ দিনটো এনেদৰে পালন কৰিবলৈ ৰাজ্যপালৰ অনুমোদন সাপেক্ষে মহিলা আৰু শিশু বিকাশ বিভাগে অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত উল্লেখ কৰা মতে সমাজৰ বাবে ক্ষতিকাৰক অন্ধ বিশ্বাসৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ ২১৯ টা খণ্ডত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই এই দিৱসত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব।

ooooo

জোনাইৰ পবা অভায়ৰণ্যৰ লালী নৈৰ বালিচাপৰিত তিনি দিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পবা মহোৎসৱৰ আয়োজন কৰা হৈছে। মিচিং স্বায়ত্বশাসিত পৰিষদ আৰু জোনাইবাসী ৰাইজৰ সহযোগত ১০ৰ পৰা ১২ জানুৱাৰীলৈ বিভিন্ন কাৰ্যসূচীৰে এই মহোৎসৱ আয়োজিত হ'ব। উল্লেখযোগ্য যে, কিছু দিন পূৰ্বে পবা অভায়ৰণ্যই বন্যপ্ৰাণী অভায়ৰণ্যৰ স্বীকৃতি লাভ কৰিছে।

ooooo

চৰাইদেউ জিলা সদৰ সোণাৰি নগৰৰ কাষৰীয়া চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে টাই-আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত বিজয় ৰাজকোঁৱৰে বৰ অসমৰ প্ৰণেতা স্বৰ্গদেউ চাও লুং চ্যুকাফাৰ নীতি আৰু আদৰ্শৰে পৰিচালিত হোৱা টাই আহোম যুৱ পৰিষদৰ ভৱিষ্যতৰ কাৰ্যসমূহো এনেদৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। এই কেন্দ্ৰীয় অধিৱেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ২২ খন জিলা সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলে অংশগ্ৰহণ কৰিছে।

ooooo

সমাপ্ত